২০০১ চনৰ ভাষা-সমীক্ষাৰ ভিত্তিত অসমত ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত বাৰটা ভাষাৰ প্ৰচলন আছে। সেইকেইটা হ'ল— অসমীয়া, বাংলা, নেপালী, হিন্দী, ওড়িয়া, বিষ্ণুপুৰীয়া, পঞ্জাবী, গুজৰাটী, উৰ্দু, মাৰাঠী, সিন্ধী আৰু কোংকনী। অসমীয়া ভাষা পূব ভাৰতৰ আৰ্য ভাষাসমূহৰ ভিতৰত অন্যতম এটি প্ৰধান ভাষা। পণ্ডিতসকলে ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় স্তৰ মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতকেই পূব ভাৰতৰ আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ মূল বুলি আখ্যা দিছে। মাগধী প্ৰাকৃত হ'ল ভাৰতৰ পূৰ্বাঞ্চলৰ প্ৰাকৃত আৰু ইয়াৰ উৎপত্তি স্থল আছিল প্ৰাচীন মগধ অঞ্চল। মাগধী প্ৰাকৃতৰ শেষ স্তৰ মাগধী অপভ্ৰংশৰ পৰাই অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী ভাষাৰ উদ্ভৱ আৰু বিকাশ হৈছে বুলি ভাষাবিদসকলে মত দিছে। অসমৰ ৰাজ্যভাষা অসমীয়া পূবে লখিমপুৰৰ জিলাৰ পৰা পশ্চিমে গোৱালপাৰা জিলালৈকে সমগ্ৰ অসম ভূখণ্ডত প্ৰচলন হৈ আছে। অসমীয়া ভাষা অকল আৰ্যমূলীয় উপাদানেৰে নহয় ; ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দমালাগত বিভিন্ন আৰ্যভিন্ন বিশেষকৈ তিব্বতমূলীয় ভাষিক উপাদানেৰে এই ভাষা পুষ্ট। অসমলৈ বিভিন্ন সময়ত অহা আৰ্যসম্ভূত গোষ্ঠীৰ সন্ততিসকলে যি দৰে অসমীয়া ভাষা কয়, সেইদৰে বৰ্ণ-হিন্দু অসমীয়া সমাজভুক্ত হোৱা আৰু সেই সমাজৰ পৰিধিলৈ অহা প্ৰচুৰসংখ্যক আৰ্যভিন্ন খিলঞ্জীয়া গোষ্ঠীৰ লোকেও এই ভাষাক কেতিয়াবা একমাত্ৰ মাতৃভাষা হিচাপে নতুবা দ্বিতীয় ভাষা হিচাপে গ্ৰহণ কৰি লৈছে। অন্য ধৰ্মাবলম্বী সম্প্ৰদায়ৰ লগতে অসমৰ থলুৱা ইছলামধৰ্মী সম্প্ৰদায় আৰু চৰ অঞ্চলৰ বৃহৎসংখ্যক 'ন-অসমীয়া' বুলি অভিহিত সম্প্ৰদায়ৰ লোকৰ অসমীয়া ভাষা গ্ৰহণৰ প্ৰক্ৰিয়াত অসমীয়া ভাষাৰ সংহতি সাধিকা ভূমিকাৰ নিদৰ্শন আছে।